জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৫১/২০২২

# ৰাজ্যৰ সত্ৰ ভূমিৰ চৰজমিন পৰ্যবেক্ষণ আৰু অধ্যয়নৰ বাবে গঠন কৰা আয়োগৰ অন্তৰ্ৱৰ্তীকালীন প্ৰতিবেদন গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## প্ৰতিবেদন অনুসৰি ৩০৩ খন সত্ৰৰ প্ৰায় ৭৫৪০ বিঘা ভূমি বেদখলৰ কবলত ঃ মুখ্যমন্ত্ৰী

## প্ৰশাসনিক পৰ্যালোচনাৰ পিছত আইনী ব্যৱস্থাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## চূড়ান্ত প্ৰতিবেদন দাখিল নকৰালৈকে একে নিষ্ঠাৰে আয়োগে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা ব্যক্ত কৰে

**দিছপুৰ, ২ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত ৰাজ্যৰ সত্ৰভূমিৰ চৰজমিন পৰ্যবেক্ষণ আৰু অধ্যয়নৰ ভিত্তিত চৰকাৰক পৰামৰ্শ আগবঢ়াবৰ বাবে বিধায়ক প্ৰদীপ হাজৰিকাৰ অধ্যক্ষতাত ৰাজ্য চৰকাৰে গঠন কৰা সত্ৰ আয়োগৰ অন্তৰ্ৱৰ্তীকালীন প্ৰতিবেদনখন গ্ৰহণ কৰে।

উল্লেখ্য যে আমগুৰি বিধান সভা সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাক অধ্যক্ষ আৰু বিধায়কদ্বয় ৰূপক শৰ্মা, মৃণাল শইকীয়াক সদস্য হিচাপে লৈ বিগত বৰ্ষত কেবিনেটৰ সিদ্ধান্ত মৰ্মে এই তিনিজনীয়া আয়োগ গঠন কৰা হৈছিল।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে সন্মুখত অহা প্ৰত্যাহ্বানৰ মাজতো তিনিজনীয়া আয়োগে তেওঁলোকৰ ওপৰত ন্যস্ত কৰা কাৰ্য নিখুঁটভাৱে সম্পন্ন কৰাৰ বাবে অভিনন্দন জনায়। তেওঁ কয় যে প্ৰতিবেদন অনুসৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৩০৩ খন সত্ৰৰ প্ৰায় ৭,৫০৪ বিঘা ভূমি বেদখলকাৰীৰ কবলত আছে। বৰপেটা জিলাত সৰ্বাধিক বেদখল হোৱাৰ পিছতে লখিমপুৰ আৰু নগাঁও জিলাত বেদখলৰ তথ্য আয়োগৰ হাতত পৰিছে। তদুপৰি বঙাইগাঁও আৰু ধুবুৰী জিলাতো সত্ৰৰ মাটি ব্যাপক হাৰত বেদখল হোৱা বুলি প্ৰতিবেদনত উল্লেখ কৰাৰ কথা মুখ্যমন্ত্ৰীয়ে দোহাৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰথমবাৰৰ বাবে সত্ৰৰ ভূমি বেদখলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত আয়োগ গঠনৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয় যে এই অন্তৰ্ৱৰ্তীকালীন প্ৰতিবেদনখন প্ৰশাসনিকভাৱে পৰ্যালোচনা কৰি ভূমি আইন অনুসৰি পৰৱৰ্তী কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

চূড়ান্ত প্ৰতিবেদন দাখিল নোহোৱালৈকে একেই উদ্যম আৰু নিষ্ঠাৰে আয়োগে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা ব্যক্ত কৰে।

আজিৰ এই অনুষ্ঠানত ৰাজ্য সভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পৱিত্ৰ মাৰ্ঘেৰিটা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**আয়ন / হেঃশঃ**
**০২/১২/২০২২**